PART - V : Language - I (Optional)

দৰকাৰী ঃ এই অংশৰ **ভাষা**-I-ত অসমীয়া, বঙালী, বড়ো, গাৰো, হিন্দী, মাৰ, নেপালী, মণিপুৰি আৰু কাৰ্বি - প্ৰতিটো ভাষাৰ 30 টাকৈ প্ৰশ্ন আছে । পৰীক্ষাৰ্থীসকলে আৱেদন পত্ৰ আৰু **OMR** উত্তৰ-পত্ৰৰ **ভাষা**-I-ত উল্লেখ কৰা ভাষাৰ প্ৰশ্নবিলাকৰ উত্তৰ দিব লাগিব ।

দরকারী ঃ এই ভাগের **ভাষা**-I-এ অসমীয়া, বাংলা, বড়ো, গারো, হিন্দী, মার, নেপালী, মণিপুরি এবং কার্বি - প্রতিটি ভাষার 30টি করে প্রশ্ন আছে । পরীক্ষার্থীদের আবেদন পত্রে এবং **OMR** উত্তর-পত্রের **ভাষা**-I তে উল্লেখ করা ভাষায় প্রশ্নগুলির উত্তর দিতে হবে ।

नायनो गोनां : बाथि बाहागोयाव **राव** –I नि असमीया, बांला, बर', गारो, हिन्दी, मार, नेपाली, मणिपुरी आरो कार्बी – जायखि–जाया मोनसेनि मोन 30 सोंथि थागोन। जायफोर बिनायसाया आरजलाइ आरो **OMR** फिननाय बिलाइनि राव–I याव मख'नाय रावनि फिन होगोन।

महत्त्वपूर्ण : इस भाग के **भाषा** – I के लिए दिए गए विकल्पों में असमिया, बंगला, बोडो, गारो, हिन्दी, मार, नेपाली, मणिपुरी एवं कर्बी – प्रत्येक भाषा में 30 प्रश्न रहेगा। परीक्षार्थिओं ने आवेदन–पत्र और **OMR** उत्तर–पत्र में भाषा –I में जिस भाषा का उल्लेख किया है, उसी भाषा में उत्तर देना है।

Important : This Part contains **30** questions each in **Language - I,** for which the options are Assamese, Bengali, Bodo, Garo, Hindi, Hmar, Nepali, Manipuri and Karbi. Candidates should answer the questions for only that Language-I option which they have given in their Application Form and recorded in the OMR Answer-Sheet.

(A S S A M E S E)

121. শ্ৰৱণ আৰু পঠন কৌশলক আৰু কি বুলি জনা যায় ?

(A) সক্ৰিয় আৰু প্ৰকাশাত্মক (Active, Productive) (B) সক্ৰিয় আৰু গ্ৰহণাত্মক (Active, Receptive)

(C) নিষ্ক্ৰিয় আৰু গ্ৰহণাত্মক (Passive, Receptive) (D) গ্ৰহণাত্মক আৰু প্ৰকাশাত্মক (Receptive, Productive)

---

122. নিম্নলিখিত কোনখন গ্ৰন্থ ভবানন্দ দত্তৰ ৰচনা ?

(A) দৃষ্টি আৰু দৰ্শন (B) সাহিত্য আৰু সত্য (C) তৰংগ (D) শংকৰদেৱ

---

123. জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথমখন নাট হ'ল :

(A) শোণিত কুঁৱৰী (B) ৰূপালীম (C) লভিতা (D) কাৰেঙৰ লিগিৰী

---

124. 'শশী' শব্দৰ সমাৰ্থক শব্দ হ'ল :

(A) ভাস্কৰ (B) চন্দ্ৰ (C) পৱন (D) কমল

---

125. অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা হ'ল :

(A) ১০টা (B) ১১টা (C) ৮টা (D) ১৪টা

---

126. নিম্নলিখিত ক্রমকেইটাৰ পৰা শুদ্ধটো বাছি উলিওৱা :

(a)	পাণি	(i)	জল
(b)	পানী	(ii)	পাৰ বা কাষ
(c)	কুল	(iii)	হাত
(d)	কূল	(iv)	বংশ

(A) (a)-(iii), (b)-(iv), (c)-(ii), (d)-(i) (B) (a)-(iii), (b)-(i), (c)-(iv), (d)-(ii)

(C) (a)-(iv), (b)-(iii), (c)-(i), (d)-(ii) (D) (a)-(iii), (b)-(i), (c)-(ii), (d)-(iv)

---

127. বেজবৰুৱাৰ কবিতা পুথিখনৰ নাম :

(A) পদুম কুঁৱৰী (B) জয়মতী (C) বেলিমাৰ (D) কদম কলি

---

128. নিম্নলিখিত কোনটো শব্দ সন্ধিৰ ফলত সাধন হৈছে ?

(A) ইশ্বৰ (B) পৰমেশ্বৰ (C) ৰাম-লক্ষ্মণ (D) দোমাহী

---

129. তলত উল্লিখিত কোনটো সংযোগী উপভাষা ?

(A) কামৰূপী আৰু গোৱালপৰীয়া (B) অৰুণামিজ আৰু নাগামিজ

(C) মিচিংমিজ আৰু ৰাভামিজ (D) ৰাজবংশী আৰু কছাৰী উপভাষা

---

130. শিক্ষার্থীয়ে দ্বিতীয় ভাষা এটা শিকোতে বিভিন্ন ধৰণৰ ভুল কৰে। দ্বিতীয় ভাষা শিকাৰুৰ এনে ভুলবোৰৰ সম্পর্কে আলোচনা কৰে :

(A) ভেদাত্মক ভাষাবিজ্ঞানে (B) মনোভাষাবিজ্ঞানে

(C) প্রমাদ বিশ্লেষণ তত্ত্বই (D) প্রয়োগ ভাষাবিজ্ঞানে

---

131. নিম্নলিখিত কোনটো সর্গ তৃতীয় পুৰুষৰ সম্বন্ধবাচক পুৰুষ বিভক্তিৰ উদাহৰণ ?

(A) এৰ (B) এৰা (C) ক (D) ৰী

---

132. তলৰ কোনটো অসমীয়া ভাষাৰ পার্শ্বিক আৰু তাড়িত ব্যঞ্জন বর্ণৰ উদাহৰণ ?

(A) ম, ন (B) ৱ, য় (C) ল, ৰ (D) স, হ

---

133. 'নিমাতী কইনা' নাটকখনৰ ৰচক -

(A) পদ্মনাথ গোহাঞি বৰুৱা (B) ৰজনীকান্ত বৰদলৈ

(C) অতুল চন্দ্র হাজৰিকা (D) জ্যোতিপ্রসাদ আগৰৱালা

---

134. তলৰ কোনটো দ্বিতীয় ভাষা শিক্ষাৰ (Second Language Learning) ক্ষেত্রত প্রযোজ্য নহয় ?

(A) ই স্বতঃস্ফূর্ত আৰু স্বাভাৱিক প্রক্রিয়া।

(B) ই শিকাৰুৰ ইচ্ছা প্রণোদিত।

(C) আনুষ্ঠানিক বিধি-বিধানৰ মাজেদি শিকা হয়।

(D) দ্বিতীয় ভাষা শিক্ষা এটা জটিল প্রক্রিয়া; ই মাতৃভাষা আহৰণতকৈ বহুত পৰিমাণে পৃথক।

---

135. কোনো কথা বা উক্তি বক্তাই কোৱাৰ ধৰণে হুবহু হ'লে তাক কোৱা হয় :

(A) প্ৰত্যক্ষ উক্তি (B) পৰোক্ষ উক্তি (C) কৰ্মবাচ্য (D) কৰ্তৃবাচ্য

---

136. অসমীয়া ভাষাৰ উদ্ভৱ কোনবিধ প্ৰাকৃতৰ পৰা হৈছে :

(A) পৈশাচী প্ৰাকৃত (B) শৌৰসেনী প্ৰাকৃত (C) মহাৰাষ্ট্ৰী প্ৰাকৃত (D) মাগধী প্ৰাকৃত

---

137. নিম্নলিখিত কোনটো যুক্তি শুদ্ধ ?

(A) অসমীয়া ভাষাৰ বচন ব্যাকৰণগত (B) বচন অনুসৰি ক্ৰিয়াৰ ৰূপৰ পৰিৱৰ্তন নহয়

(C) বচন অনুসৰি বিশেষণৰ ৰূপৰ পৰিৱৰ্তন হয় (D) অসমীয়া ভাষাত বচন তিনিপ্ৰকাৰ

---

138. শিশুৰ প্ৰাথমিক শিক্ষাত মাতৃভাষা অত্যন্ত গুৰুত্বপূৰ্ণ। কাৰণ :

(A) শিশুৰ চিন্তা আৰু কল্পনা শক্তিৰ বিকাশত সহায় কৰে।

(B) সামাজিক জীৱনৰ বিকাশৰ বাবে মাতৃভাষা অপৰিহাৰ্য।

(C) মাতৃভাষাৰ যোগেদি শিশুৰ সংস্কৃতিৰ লগত সম্পৰ্ক ঘটে ।

(D) ওপৰৰ আটাইকেইটা শুদ্ধ ।

---

139. অসমত অনা-অসমীয়া ছাত্ৰ-ছাত্ৰীক অসমীয়া ভাষা শিকোৱাৰ উদ্দেশ্য হ'ল :

(A) ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া ভাষাৰ ধ্বনিসমূহ শুদ্ধকৈ উচ্চাৰণ কৰিব পাৰিব আৰু মাতৃভাষাৰ ধ্বনিবোৰৰ সৈতে সিবোৰৰ পাৰ্থক্য আঙুলিয়াব পাৰিব।

(B) তেওঁলোকে উপযুক্ত শব্দ, জতুৱা-ঠাঁচ আৰু বাক্য-গাঁথনি প্ৰয়োগ কৰি অসমীয়া ভাষাৰে কথা-বতৰা পাতিব পাৰিব আৰু অসমীয়া ভাষীয়ে কোৱা কথা-বতৰা শুনি তাৰ সহাঁৰি শুদ্ধ অসমীয়া ভাষাত দিব পাৰিব।

(C) ছাত্ৰ-ছাত্ৰীসকলে অসমীয়া ভাষাত চিঠি-পত্ৰ, দৰ্খাস্ত, ৰচনা আৰু পাঠভিত্তিক বিভিন্ন লেখা শুদ্ধকৈ পঢ়িব আৰু লিখিব পাৰিব ।

(D) ওপৰৰ আটাইকেইটা শুদ্ধ।

---

140. অসমীয়া ভাষাত শ্ৰুতি ধ্বনি _____ আছে।

(A) তিনিটা (B) এটা (C) দুটা (D) চাৰিটা

---

141. বহুভাষিক শ্ৰেণীকোঠা এটাত শিক্ষাৰ্থীয়ে :

(A) লক্ষ্য-ভাষাটোৰ ব্যৱহাৰৰ পৃষ্ঠপোষকতা কৰা বাবে অন্য কোনো ভাষা ব্যৱহাৰ কৰিবলৈ অনুৎসাহিত অনুভৱ কৰে।

(B) উচ্চাৰণৰ ভিন্নতা, ব্যাকৰণৰ গঠন আদিৰ বিষয়ে জনাৰ অধিক সুযোগ পায়, যাৰ বাবে লক্ষ্য-ভাষা শিকি বুজি ব্যৱহাৰ কুৰিবলৈ সুচল হয়।

(C) বেছি ভাল ফলাফল পাব পাৰে, যদিহে একে ভাষা কোৱা শিক্ষাৰ্থীবোৰ একোটা গোটত থাকে।

(D) কথা-বাৰ্তা তথা যোগাযোগৰ অভাৱৰ বাবে শ্ৰেণীটো আকৰ্ষণীয় অনুভৱ নকৰে।

---

142. 'বোন্দা' শব্দৰ বিপৰীত অৰ্থ হ'ল :

(A) বোন্দী (B) ডাঙৰ মেকুৰী (C) জাঁই (D) সৰু মেকুৰী

---

143. শিকাৰুৱে ভাষা এটা শিকোঁতে ভাষাটোৰ সুকীয়া উচ্চাৰণৰ ধৰণবোৰৰ বাবে ক'বলৈ আত্মবিশ্বাসৰ অভাৱ অনুভৱ কৰে। এই সমস্যাটোৰ সমাধান হ'ল :

(A) বিশেষজ্ঞৰ ওচৰত বাক-চিকিৎসাৰ ব্যৱস্থা কৰোৱা।

(B) শ্ৰেণীকোঠাত ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ দিয়া।

(C) ভুল হোৱাৰ লগে লগেই শুধৰোৱা।

(D) শ্ৰেণীকোঠাত মৌখিক যোগাযোগ হোৱাকৈ বা কথাবার্তাৰ পৰিৱেশ সৃষ্টি হোৱাকৈ খেল-ধেমালিৰ জৰিয়তে শিকোৱা।

---

144. গোহাঞি বৰুৱাৰ কবিতা পুথিখন হ'ল :

(A) জুৰণি (B) সাধনী (C) লাচিত বৰফুকন (D) টেটোন তামুলী

---

145. কোনখন গ্ৰন্থৰ বাবে বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্যই জ্ঞানপীঠ বঁটা লাভ কৰিছিল ?

(A) ঈয়াৰুইঙ্গম (B) মৃত্যুঞ্জয় (C) শতঘ্নী (D) ৰঙা মেঘ

---

146. এটা বাক্যৰ মূল অংশটো আন অংশৰ পৰা পৃথক কৰি দেখুৱাবলৈ নিম্নলিখিত কোনবিধ বিৰাম চিহ্ন ব্যৱহাৰ কৰা হয় ?

(A) পূর্ণ (B) নির্দেশক চিহ্ন (C) অপূর্ণ বিশ্বাস (D) লঘু বিৰতি

---

147. নিম্নলিখিত কোনটো উক্তি শুদ্ধ ?

(A) মান্য ভাষাত শ্বাসাঘাত শব্দৰ উপধা অক্ষৰত পৰে আৰু কামৰূপীত শব্দৰ আদি অক্ষৰত পৰে।

(B) শ্বাসাঘাতৰ কাৰণে কামৰূপী উপভাষাত অপিনিহিতিৰ সংখ্যা বেছি। মান্য অসমীয়া ভাষাত অপিনিহিতিৰ সংখ্যা কম।

(C) কামৰূপী আৰু গোৱালপৰীয়া দুয়োটা উপভাষাতে দুটা 'আ' ধ্বনি ওচৰা-ওচৰিকৈ উচ্চাৰিত হয়। মান্য অসমীয়াত ইয়াৰ প্ৰথমটো 'আ' 'অ' লৈ পৰিৱর্তন হয়।

(D) ওপৰৰ আটাইকেইটা শুদ্ধ

---

148. অসমীয়া ভাষাৰ উপভাষা সম্পর্কীয় প্ৰথমখন গৱেষণা গ্ৰন্থ হ'ল :

(A) অসমীয়া ভাষা আৰু উপভাষা (B) অসমীয়া আৰু অসমৰ ভাষা-উপভাষা

(C) এ ষ্টাডি অন্ কামৰূপী ঃ এ ডায়েলেক্ট অৱ আছামিজ (D) উপভাষা বিজ্ঞান

---

149. ভাষা আহৰণৰ শুদ্ধ ক্ৰমটো হ'ল :

(A) শ্ৰৱণ-কথন-লিখন-পঠন (B) শ্ৰৱণ-কথন-পঠন-লিখন

(C) কথন-শ্ৰৱণ-পঠন-লিখন (D) শ্ৰৱণ-পঠন-কথন-লিখন

---

150. অসমীয়া ভাষা উদ্ভৱ সম্পর্কে তলত উল্লেখ কৰা কোন ভাষাবিদে কি মত আগবঢ়াইছে শুদ্ধটো বিচাৰ কৰা।

(a)	দেবানন্দ ভৰালী	(i)	প্ৰাচ্য-পশ্চিমাৰ মিশ্ৰণ
(b)	কনকলাল বৰুৱা	(ii)	পৈশাচী প্ৰাকৃত
(c)	কালিৰাম মেধি	(iii)	কামৰূপী আৰু সৌমাৰ প্ৰাকৃত
(d)	বাণীকান্ত কাকতি	(iv)	মাগধী প্ৰাকৃত

(A) (a)-(iv), (b)-(iii), (c)-(i), (d)-(ii) (B) (a)-(iii), (b)-(ii), (c)-(i), (d)-(iv)

(C) (a)-(i), (b)-(iv), (c)-(ii), (d)-(iii) (D) (a)-(ii), (b)-(iv), (c)-(iii), (d)-(i)
